এক সি পদুম, চৌষঠী পাপৰি।
তাত চড়ি নাচ অ' ডুমুনী বাপুৰী ॥
হেৰ ডুমুনী, তোক পুছিম সদ্‌ভাৱে।
আহ-যাব তই ডুমুনী কাৰনো নাৱে ॥
অৱিদ্যা-তন্ত্ৰী বিষয়ৰ চাঙী, ডুমুনী বিক্ৰিয়ণা।
তোৰ হন্তে মই তন্ত্ৰ-ৰূপ ছাড়িলোঁ নটৰ পেড়া ॥
তোৰ তুল্য, অ' ডুমুনী, মইও কপালী।
তোৰ হন্তে এই গ্ৰহণিলোঁ হাড়ৰ মালী ॥
কায়া-সৰোবৰ ভাঙি অ' ডুমুনী খায় মোলান।
মাৰিম ডুমুনী তোক, তোৰ লয় পৰাণ ॥

মূল তত্ত্ব : মহাসুখ-স্বৰূপিণী পৰিশুদ্ধা অৱধূতী নৈৰাত্মা বা নিৰ্বাণ ইন্দ্ৰিয়-গ্ৰাহ্য নহয় বাবে অস্পৃশ্য ডুমুনীৰ তুল্য ; আৰু ৰূপ আদি বিষয়ৰ অতীত বুলি সি নগৰৰ বাহিৰীয়াৰ দৰে। ব্ৰাহ্মণৰ দৰে অন-সহজযানী যোগীয়ে নৈৰাত্মাৰূপী ডুমুনীক ছুই ছুই যায়, পিছে পাব নোৱাৰে। "পদ্মেকং নিৰ্মাণচক্ৰং চতুঃষষ্ঠী-দলযুক্তম্।" সৃষ্টি-ৰহস্য নিহিত এই নিৰ্মাণচক্ৰৰ ওপৰত উঠি নৈৰাত্মাৰূপী ডুমুনী নাচে ; আৰু নিৰ্ঘিণ নাওঠ সহজযানী যোগীয়ে তাক লাভ কৰে। কাপালীক-ৰূপী যোগীয়ে কুণ্ডল আৰু হাড়ৰ মালা পিন্ধিছে ; অপৰিশুদ্ধ অৱধূতীৰূপী ডুমুনীয়ে কায়া-ৰূপ সৰোবৰ ভাঙি বোধিচিত্ত-ৰূপ মৃণাল খাইছে ; এই অবিদ্যাৰূপিণীক হত্যা কৰা উচিত ॥

## ১৯। ৰাগ ভৈৰবী—কৃষ্ণ ( বজ্ৰ ) পাদানাম্।

ভব নিৰ্বাণে পড়হ মাদলা। মন-পৱন বেণি কৰণ্ডকশালা ॥
জঅ জঅ দুন্দুহি সাদ উছলিআঁ। কাহ্ন ডোম্বী বিবাহে চলিআ ॥
ডোম্বী বিবাহিআ অহাৰিউ জাম। জউতুকে কিঅ আণুতু ধাম ॥
অহণিসি সুৰঅ পসঙ্গে জাঅ। জোইনি জালে ৰঅণি পোহাঅ ॥
ডোম্বী এৰ সঙ্গে জোই ৰত্তো। খণহ ন ছাড়এ সহজ উন্মত্তো ॥

অসমীয়া অনুবাদ—

ভব-নিৰ্বাণত ( বাজে ) পটহ মাদল। মন-পৱন দুই কৰণ্ডক শাল ॥
জয় জয় দুন্দুভি শবদ উছলি। কাহ্নু ( যায় ) ডুমুনীক বিবাহলৈ চলি ॥

